**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-11-2025
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

অহা জানুৱাৰী মাহত গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী দলঙখন ৰাইজৰ বাবে মুকলি কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি উজানবজাৰত ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্ট মুকলি কৰি এইকথা সদৰি কৰে। তেওঁ কয় যে দলঙখনৰ নিৰ্মাণকাৰ্য প্ৰায় শেষৰ পথত। দলঙখন সম্পূৰ্ণ হৈ উঠিলে মহানগৰীৰ যোগাযোগ ব্যৱস্থাই এক অন্য মাত্ৰা লাভ কৰিব বুলি উল্লেখ কৰি তেওঁ কয় যে ফেব্ৰুৱাৰী মাহৰ ভিতৰত গুৱাহাটীৰ সকলোবোৰ আধৰুৱা প্ৰকল্পৰ কাম সম্পূৰ্ণ হৈ উঠিব। উল্লেখযোগ্য যে আজি কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে সন্ধিয়া ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্ট প্ৰকল্পৰ লগতে পানবজাৰৰ গেটৱে অৱ গুৱাহাটী অত্যাধুনিক ফেৰী টাৰ্মিনেল আৰু জেটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ৩২৭ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ব্ৰহ্মপুত্ৰ ৰিভাৰফ্ৰণ্ট প্ৰকল্প পৰ্যটকৰ আকৰ্ষণৰ অন্যতম কেন্দ্ৰ হৈ উঠিব বুলি আশা কৰা হৈছে। আনহাতে, সকলো বতৰতে কাৰ্যক্ষম হৈ থাকিব পৰা গে'টৱে অৱ গুৱাহাটীৰ অত্যাধুনিক ফেৰী টাৰ্মিনেল আৰু জেটি প্ৰকল্পই গুৱাহাটী মহানগৰীৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা শক্তিশালী কৰিব বুলি আশা কৰা হৈছে।

ইয়াৰ পূৰ্বে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি আবেলি জাগীৰোডৰ চেমিকনডাক্টৰ প্ৰকল্প পৰিদৰ্শন কৰি প্ৰকল্পটোৰ কাম-কাজৰ অগ্ৰগতি সম্পৰ্কে বুজ লয়।

oooo

ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্ত সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে আজি শিল্পীগৰাকীৰ প্ৰাক্তন মেনেজাৰ তাৰছেম মিট্টালক প্ৰায় ১২ ঘণ্টা ধৰি জেৰা চলায়। জেৰাৰ অন্তত নিশা প্ৰায় চাৰে আঠ বজাত তেঁওক যাবলৈ দিয়া হয়। সংবাদ মাধ্যমৰ আগত তাৰচেম মিট্টালে জুবিন গাৰ্গৰ মৃত্যু অথবা বৰ্তমানৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা সন্দৰ্ভত কোনো ধৰণৰ মন্তব্য নকৰিলে। ইয়াৰ পৰিৱৰ্তে তেওঁ কয় যে আৰক্ষীৰ আগত কবলগীয়া সকলো কথাই সদৰি কৰা হৈছে। উল্লেখযোগ্য যে, জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে এই পৰ্য্যন্ত ১০০ৰো অধিক লোকৰ ভাষ্য গ্ৰহণ কৰিছে। একেদৰে, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সৌমিত্ৰ শইকীয়া নেতৃত্বাধীন এজনীয়া ন্যায়িক আয়োগতো জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত অভিযোগ দাখিলৰ প্ৰক্ৰিয়া চলি আছে।

oooo

মহিলা বিশ্বকাপ ক্ৰিকেটৰ খিতাপ দখল কৰাৰ পিছত আজি প্ৰথমবাৰৰ বাবে ভাৰতীয় দলটোৰ সদস্যা উমা চেত্ৰী গোলাঘাট জিলাৰ বোকাখাটৰ স্বগৃহত উপস্থিত হয়। কান্দুলীমাৰীৰ বাসগৃহত উপস্থিত হোৱাৰ পিছতেই দল-সংগঠনৰ লগতে শুভাকাংক্ষীসকলে তেওঁক আদৰণি জনায়। ৰাজ্য চৰকাৰৰ হৈ গোলাঘাটৰ জিলা আয়ুক্ত পুলক মহন্ত, আৰক্ষী অধীক্ষক ৰাজেন সিং আৰু বোকাখাটৰ কেইবাটাও সংগঠনে উমা চেত্ৰীক আদৰণি জনায়। বোকাখাট

জিলা ক্ৰীড়া সন্থাৰ লগতে অসম গোৰ্খা সন্মিলনী আৰু ইলেকট্ৰনিক মিডিয়া জাৰ্নেলিষ্ট এচ'ছিয়েছনৰ তৰফৰ পৰা উমাক সম্বৰ্ধনা জনোৱা হয়। তেওঁ সংবাদমাধ্যমৰ আগত প্ৰধানমন্ত্ৰী মোদীক সাক্ষাৎ কৰাৰ অভিজ্ঞতা সন্দৰ্ভত এইদৰে কয়–

*(বাইট ঃ চেত্ৰী)*

স্বগৃহত উপস্থিত হোৱাৰ পিছতেই কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে উমা চেত্ৰীক ফোনযোগে শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে। মহিলা ক্ৰিকেট দলটোৰ এই সাফল্যৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীমন্ত্ৰীগৰাকীয়ে গৌৰৱবোধ কৰা বুলি উমা চেত্ৰীক অৱগত কৰে। ইয়াৰ লগতে তেওঁ উমাক অসমৰ গৌৰৱ বুলি অভিহিত কৰে। ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা ক্ৰীড়া সাংসদ খেল মহোৎসৱলৈ উমা চেত্ৰীক শ্ৰী সোণোৱালে আমন্ত্ৰণ জনায়। ০০০০০

০০০০

চাহ বাগিছাৰ কৰ্তৃপক্ষৰ দ্বাৰা পৰিচালিত বিদ্যালয়সমূহত কৰ্মৰত শিক্ষকসকলৰ চাকৰি নিয়মীয়াকৰণৰ বিষয়টোক লৈ আজি তিনিচুকীয়া জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত ৰাজ্যৰ শ্ৰম আৰু শ্ৰমিক কল্যান বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই অংশগ্ৰহণ কৰে। সভাখনত বাগিছা কৰ্তৃপক্ষক শিক্ষকসকলৰ চাকৰি নিয়মীয়াকৰণৰ লগতে বিদ্যালয়সমূহত খালী হৈ থকা পদসমূহ শীঘ্ৰে পূৰণ কৰিবলৈ বাগিছা কৰ্তৃপক্ষক আহ্বান জনোৱা হয়। সভাত তিনিচুকীয়া জিলাৰ ২৬ খন বাগিছাৰ কৰ্তৃপক্ষৰ লগতে সহকাৰী শ্ৰম আয়ুক্ত উপস্থিত থাকে।

০০০০

মহানগৰ আৰক্ষীয়ে আজি আবেলি অভিযান চলাই লখৰাৰ পৰা প্ৰায় এক কোটি টকা মূল্যৰ ড্ৰাগছ জব্দ কৰে। গড়চুক আৰক্ষী আৰু এছ টি এফৰ যৌথ অভিযানত ড্ৰাগছখিনি জব্দ কৰা হয়। আৰক্ষীয়ে এই সন্দৰ্ভত হিকমত আলী আৰু আলী হুছেইন নামৰ দুই সৰবৰাহকাৰীক গ্ৰেপ্তাক কৰে। আৰক্ষীয়ে জনোৱা মতে, মণিপুৰৰ পৰা ড্ৰাগছখিনি গুৱাহাটীলৈ অনা হৈছে। ১৬ টাকৈ চাবোনৰ বাকচত ড্ৰাগছখিনি আনি সৰবৰাহকাৰীকেইটাই অসমৰ বিভিন্ন প্ৰান্তলৈ প্ৰেৰণৰ যো-জা চলাইছিল। এই বৃহৎ পৰিমানৰ ড্ৰাগছ সৰবৰাহৰ সৈতে আৰু আন লোক জড়িত হৈ আছে নেকি সেই সন্দৰ্ভত তথ্য উদ্ধাৰৰ বাবে আৰক্ষীয়ে দুই সৰবৰাহকাৰীক জেৰা অব্যাহত ৰাখিছে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**